BIKALI COLLEGE LIBRARY



**36T MASS**

**2 0 2 6**

# ASSAMESE

( Modern Indian Language )

*Full Marks* : 100
*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions.*

**Allotment of Marks**

| | |
|---|---|
| Q. No. **1** carries *1* mark each | 1×7 = 7 |
| Q. No. **2** carries *2* marks each | 2×7 = 14 |
| Q. No. **3** carries *4* marks | 4×1 = 4 |
| Q. No. **4** carries *5* marks each | 5×2 = 10 |
| Q. No. **5** carries *1* mark each | 1×5 = 5 |
| Q. No. **6** carries *2* marks each | 2×5 = 10 |
| Q. No. **7** carries *4* marks | 4×1 = 4 |
| Q. No. **8** carries *3* marks each | 3×2 = 6 |
| Q. No. **9** carries *1* mark each | 1×2 = 2 |
| Q. No. **10** carries *2* marks each | 2×2 = 4 |
| Q. No. **11** carries *4* marks | 4×1= 4 |
| Q. No. **12** carries *3* marks each | 3×2 = 6 |
| Q. No. **13** carries *1* mark each | 1×6 = 6 |
| Q. No. **14** carries *2* marks each | 2×4 = 8 |
| Q. No. **15** carries *10* marks | 10×1= 10 |
| | Total = 100 |

BIKALI COLLEGE LIBRARY



১। তলৰ যিকোনো সাতোটা প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ : ১×৭=৭

(ক) ১৯৩০ চনৰ কিমান তাৰিখে বেজবৰুৱাই সম্বলপুৰৰ পৰা অসমলৈ যাত্ৰা কৰিছিল?

(খ) 'বনফুল'ৰ কবি বুলি কাক কোৱা হয়?

(গ) ভাৰতীয় প্ৰশাসনিক সেৱাত নিযুক্ত প্ৰথমগৰাকী অসমীয়া কোন আছিল?

(ঘ) 'হস্তিবিদ্যাৰ্ণৱ' কি শ্ৰেণীৰ পুথি?

(ঙ) কৰ্ম কৰাৰ কৌশলক 'ভগৱদ্‌গীতা'ত কি বুলি কোৱা হৈছে?

(চ) শীলভদ্ৰ কাৰ ছদ্মনাম?

(ছ) ভূপেন হাজৰিকাৰ 'এৰাবাটৰ সুৰ' নামৰ ছবিখনে কিমান চনত মুক্তিলাভ কৰিছিল?

(জ) ড০ দীনেশ চন্দ্ৰ গোস্বামীয়ে সম্পাদনা কৰা বিজ্ঞানবিষয়ক আলোচনীখনৰ নাম কি?

(ঝ) 'উপকল্প' শব্দৰ অৰ্থ লিখাঁ।

২। তলৰ যিকোনো সাতোটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×৭=১৪

(ক) 'মোৰ মাতৃমুখ দৰ্শন'ত লেখকে উল্লেখ কৰা 'মাজিউ' আৰু 'জ্ঞান' কোন আছিল?

(খ) "শ্ৰদ্ধয়া দেয়ম্, অশ্ৰদ্ধয়া অদেয়ম্" কথাষাৰৰ তাৎপৰ্য লিখাঁ।

(গ) আনন্দৰাম বৰুৱাৰ কোনবোৰ গুণৰ বাবে অসমৰ লোকসকলৰ আত্মস্মৃতি জাগি উঠিছিল?

(ঘ) 'ব্যৱহাৰিক সাহিত্য'ৰ অন্তৰ্গত দুখন পুথিৰ নাম লিখাঁ।

(ঙ) 'ভাৰতীয় আদৰ্শত বৈৰাগ্য' নামৰ পাঠটিত কি দুটা মহৎ গুণ সকলো ব্যক্তিয়ে কৰ্ষণ কৰিব লাগে বুলি লিখা আছে?

(চ) চুটিগল্পৰ দুটা বৈশিষ্ট্য উল্লেখ কৰাঁ।

BIKALI COLLEGE LIBRARY



(ছ) জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা কথাছবি দুখনৰ নাম লিখাঁ।

(জ) 'ডাঃ বেজবৰুৱা' ছবিখন কাৰ পৰিচালনাত, কেতিয়া ওলাইছিল?

(ঝ) কাৰ্য-কাৰক সম্পৰ্ক মানে কি?

৩। তলৰ যিকোনো এছোৱা প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ : ৪

(ক) "বিজ্ঞানৰ গোটেই পদ্ধতিটোতে এই মুকলি মনটোৰ গুৰুত্ব বৰ বেছি।"

(খ) " 'হস্তিবিদ্যাৰ্ণৱ' পুথিখনি অসমীয়া জাতিৰ অমূল্য সম্পত্তি।"

(গ) "প্ৰকৃততে ত্যাগ বা বৈৰাগ্য এটা বিশেষ মনোধৰ্ম।"

৪। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৫×২=১০

(ক) 'মোৰ মাতৃমুখ দৰ্শন' পাঠটিত লেখকে উল্লেখ কৰা মহাদেৱৰ কৃষিকৰ্মৰ কাহিনীটো তোমাৰ নিজৰ ভাষাত লিখাঁ।

(খ) 'মগনিয়াৰ' পাঠটিত কথা-কবিতাৰ কি কি লক্ষণ পৰিস্ফুট হৈছে?

(গ) মানুহৰ জীৱনত চিঠিৰ গুৰুত্ব কেনেধৰণৰ, 'চিঠি' গল্পৰ আলমত বুজাই লিখাঁ।

(ঘ) আনন্দৰাম বৰুৱাক একাগ্ৰতা গুণে সাফল্য লাভত কেনেদৰে সহায় কৰিছিল, বুজাই লিখাঁ।

৫। তলৰ যিকোনো পাঁচোটা প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ : ১×৫=৫

(ক) মাধৱদেৱে ৰচনা কৰা বৰগীতৰ সংখ্যা কিমান?

(খ) মফিজুদ্দিন আহমদ হাজৰিকাৰ প্ৰথমখন কাব্যপুথিৰ নাম লিখাঁ।

(গ) ভাৰত চৰকাৰে নলিনীবালা দেৱীক কিমান চনত পদ্মশ্ৰী উপাধি প্ৰদান কৰিছিল?

(ঘ) পূজাৰ ১৬বিধ উপকৰণক একেলগে কি শব্দেৰে বুজোৱা হয়?

(ঙ) 'হৰ্ম্য' শব্দৰ অৰ্থ কি?

BIKALI COLLEGE LIBRARY



(চ) 'আঘোণৰ কুঁৱলী' কবিতাত উল্লেখ থকা 'সেউতী' কোন?

(ছ) নৱকান্ত বৰুৱাৰ প্ৰথমখন কাব্যগ্ৰন্থৰ নাম লিখাঁ।

(জ) নিৰ্মলপ্ৰভা বৰদলৈৰ এখন গীতৰ পুথিৰ নাম উল্লেখ কৰাঁ।

৬। তলৰ যিকোনো পাঁচোটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×৫=১০

(ক) মাধৱদেৱৰ বৰগীতৰ দুটা প্ৰধান বৈশিষ্ট্য লিখাঁ।

(খ) সত্ত্ব গুণৰ অধিকাৰী হ'লে কি কি পোৱা যায়?

(গ) নিয়ৰৰ মালা গাঁথি কোনে, কেনেকৈ ৰাতিপুৱা কবিক দেখা দিয়ে?

(ঘ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতা-পুথিখনৰ নাম লিখি তেওঁৰ কবিতাৰ যিকোনো এটা বৈশিষ্ট্য উল্লেখ কৰাঁ।

(ঙ) 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটোৰ সম্পৰ্কত নৱকান্ত বৰুৱাই কি কৈছিল?

(চ) কেশৱ মহন্তৰ দুখন কবিতা-পুথিৰ নাম লিখাঁ।

(ছ) অৰ্থ লিখাঁ :

তামীঘৰা, হেৰা পাওঁ।

৭। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ (যিকোনো এফাঁকি) : ৪

(ক) সিদ্ধ মুনিগণে চিন্তিয়া নপাৱে
সো হৰি যশোৱা কোলে।
ত্ৰিজগত পতি ভকতি মিলিল
মূৰুখ মাধৱে বোলে॥

BIKALI COLLEGE LIBRARY



(খ) আজি জনতাৰ পঙ্কজ ৰূপ
জাগে পদুমৰ দৰে,
বোকাত জনমা মানুহে আজি
আলোকলে' উঠি আহে
বেলিমুৰা হৈ হাঁহে।

(গ) কোনোবা আহিব মোৰ দৰে কোনো দিনা?
মোৰ সুৰতেই বাজিব নতুন বীণা?
ওহোঁ সেয়া হ'ব নতুন মানুহ।

৮। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৩×২=৬

(ক) কবিয়ে কাক 'বিশ্বখনিকৰ' বুলি কৈছে আৰু কিয় কৈছে?

(খ) 'কাঠমিস্ত্ৰীৰ ঘৰ' কবিতাটোত প্ৰগতিবাদী কবিতাৰ কোনবোৰ লক্ষণ দেখা গৈছে?

(গ) কবিয়ে 'উভতি নহাৰ কবিতা'ত "আলিৰ কাণৰ জাবৰৰ পৰা এপাহ বকুল এবাৰেই তুলি ল'লোঁ" বুলি কি বুজাব খুজিছে?

(ঘ) নিৰ্মলপ্ৰভা বৰদলৈৰ 'কৰুণতম' কবিতাত গ্ৰাম্য জীৱনৰ প্ৰতি মোহ কেনেদৰে প্ৰকাশ পাইছে?

৯। তলৰ যিকোনো দুটা প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ : ১×২=২

(ক) ভাৰতীয় দৰ্শনে মূল্যবোধক কেইটা শ্ৰেণীত ভাগ কৰিছে?

(খ) নন্দনতাত্ত্বিক মূল্যবোধৰ চাবিকাঠী কি?

(গ) কৈশোৰ কালৰ বাবে প্ৰচলিত শিক্ষাক কি শিক্ষা বুলি কোৱা হয়?

(ঘ) 'দিবাস্বপ্ন' শব্দৰ অৰ্থ লিখাঁ।

BIKALI COLLEGE LIBRARY



১০। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ২×২=৪

(ক) সহজ অৰ্থত মূল্যবোধ মানে কি ?

(খ) আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে চিৰন্তন মূল্যবোধ কেইটা আৰু কি কি ?

(গ) কৈশোৰ কালৰ যিকোনো দুটা বৈশিষ্ট্য লিখাঁ।

(ঘ) কৈশোৰ কালৰ বাবে প্ৰস্তুত কৰা মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত থকা যিকোনো দুটা প্ৰাথমিক আৰু মৌলিক বিষয়ৰ নাম লিখাঁ।

১১। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৪

(ক) আধ্যাত্মিক মূল্যবোধ সম্পৰ্কে চমুকৈ লিখাঁ।

(খ) কৈশোৰ কালৰ বাবে কেনেধৰণৰ শিক্ষা উপযোগী ? উদাহৰণসহ লিখাঁ।

(গ) মানৱ জীৱনৰ কৈশোৰ কালক এক ৰূপান্তৰৰ কাল বুলি কিয় কোৱা হয় ? বুজাই লিখাঁ।

১২। চমুকৈ লিখাঁ (যিকোনো দুটা) : ৩×২=৬

(ক) ক্ৰিয়া বিভক্তি কাক বোলে ? অসমীয়া ভাষাৰ দ্বিতীয় পুৰুষৰ বিভক্তিৰ দুটা ৰূপ কি কি ?

(খ) কাৰক বিভক্তিক আন কি নামেৰে জনা যায় ? কাৰক কেইপ্ৰকাৰৰ ? অপাদান কাৰকৰ সুকীয়া বিভক্তি আছেনে ?

(গ) পূৰ্ব প্ৰত্যয় মানে কি ? অসমীয়া ভাষাৰ যিকোনো দুটা পূৰ্ব প্ৰত্যয় প্ৰয়োগ কৰি দুটা শব্দ লিখাঁ।

(ঘ) জতুৱা ঠাঁচ কাক বোলে ? 'হাত' শব্দ ব্যৱহাৰ কৰি গঠন হোৱা দুটা জতুৱা ঠাঁচ লিখাঁ।

BIKALI COLLEGE LIBRARY



১৩। তলৰ যিকোনো ছয়টা শব্দত যোগ হোৱা প্ৰত্যয়বোৰ ভাঙি কি প্ৰত্যয় যোগ হৈছে লিখাঁ : ১×৬=৬

খেতি, ৰখীয়া, সাঁচতীয়া, বেগাই, মিছলীয়া, পলৰীয়া, ঢুলীয়া, বিহগী, নাটকীয়।

১৪। তলত দিয়া জতুৱা ঠাঁচবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য ৰচনা কৰাঁ (যিকোনো চাৰিটা) : ২×৪=৮

বাপতি-সাহোন, চকু কপালত উঠা, ম'হতকৈ শিং চৰা, গা টঙা, নলগা জেঙত লগা, হিয়াৰ আমঠু, তেজক পানী কৰা, গাই ৰাই চা।

১৫। তলৰ যিকোনো এটা বিষয় লৈ এখন ৰচনা লিখাঁ : ১০

(ক) সাহিত্য অধ্যয়নৰ প্ৰয়োজনীয়তা :

(আৰম্ভণি—সাহিত্যৰ গুৰুত্ব — সাহিত্য অধ্যয়নৰ প্ৰয়োজনীয় দিশসমূহ — বৰ্তমান সময়ত সাহিত্য অধ্যয়নৰ প্ৰাসংগিকতা — সামৰণি)

(খ) মানৱদৰদী শিল্পী জুবিন গাৰ্গ :

(আৰম্ভণি — পৰিচয় — সাংগীতিক প্ৰতিভা — সাংগীতিক অৱদান — অন্যান্য অৱদান — মানৱদৰদী শিল্পী আখ্যা দিয়াৰ কাৰণ — সামৰণি)

(গ) সামাজিক মাধ্যম আৰু বৰ্তমানৰ সমাজত ইয়াৰ প্ৰভাৱ :

(আৰম্ভণি — সামাজিক মাধ্যম মানে কি? সামাজিক মাধ্যমৰ বিভিন্ন প্ৰকাৰ — সামাজিক মাধ্যমৰ উপকাৰিতা আৰু অপকাৰিতা — মানুহৰ মানসিক আৰু শাৰীৰিক দিশত ইয়াৰ প্ৰভাৱ — সামৰণি)

(ঘ) শিক্ষামূলক ভ্ৰমণ :

(আৰম্ভণি — শিক্ষামূলক ভ্ৰমণৰ তাৎপৰ্য — ভ্ৰমণ-ব্যৱস্থা — শিক্ষামূলক ভ্ৰমণৰ উপকাৰিতা — সামৰণি)

(ঙ) সাম্প্ৰতিক সময়ত অসমৰ খেল জগত :

(আৰম্ভণি — অসমৰ মুখ্য খেলসমূহ — প্ৰখ্যাত অসমীয়া খেলুৱৈসকল — চৰকাৰী সহায় আৰু উদ্যোগ — সমস্যা আৰু সম্ভাৱনা — সামৰণি)

★★★